# 2023

## অসমীয়া আখৰ জোঁটনি

## (SEC)

## Paper Code : SEC 0100703

Time - 2 Hrs. Full Marks - 45

*The figures in the margin indicate full marks for the question.*
*Answer either in English or in Assamese*

১। অতি চমু উত্তৰ দিয়া ঃ 1×5=5

ক) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা কিমান?

খ) ভাষাৰ ক্ষুদ্ৰতম একক কি?

গ) IPA ৰ সম্পূৰ্ণ নাম কি?

ঘ) অসমীয়া ভাষাত চন্দ্ৰবিন্দুৰ প্ৰয়োগৰ ফলত শব্দৰ অৰ্থৰ তাৰতম্য ঘটেনে?

ঙ) অসমীয়া ভাষাত বিভক্তি কেইবিধ?

২। চমু উত্তৰ লিখা (যিকোনো পাঁচটা) ঃ 2×5=10

ক) অসমীয়া ভাষাৰ দুটা সন্মুখ স্বৰধ্বনিৰ উল্লেখ দাঙি ধৰা।

খ) অসমীয়া ভাষাৰ দুটা নাসিক্য ব্যঞ্জন ধ্বনিৰ উল্লেখ কৰা।

গ) অসমীয়া ভাষাৰ দুটা মহাপ্ৰাণ ব্যঞ্জনৰ নাম লিখা।

ঘ) বিশিষ্ট ধ্বনি বুলিলে কি বুজা?

ঙ) 'ক্ষ' যুক্ত ব্যঞ্জনটো কেনেদৰে সিদ্ধ হৈছে?

চ) অসমীয়া ভাষাত অৰ্ধস্বৰ দুটা কি কি?

ছ) অসমীয়া ভাষাত ষষ্ঠী আৰু সপ্তমী বিভক্তিৰ চিন কি কি?

জ) 'বাহ' আৰু 'বাঁহ' শব্দ দুটাৰ অৰ্থ লিখা।

ঝ) সংস্কৃত প্ৰত্যয়ৰ প্ৰধান ভাগ দুটা কি কি?

ঞ) দুবিধ যতি চিহ্নৰ উল্লেখ কৰা।

৩। উত্তৰ লিখা (যিকোনো চাৰিটা) ঃ 5×4=20

ক) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিৰ এখন তালিকা প্ৰস্তুত কৰা।

খ) ধ্বনি, বৰ্ণ আৰু আখৰ সম্পৰ্কে চমুকৈ লিখা।

P.T.O.

গ) অসমীয়া ভাষাৰ যুক্তাক্ষৰ সম্পৰ্কে এটি চমু আলচ যুগুত কৰা।

ঘ) অসমীয়া ভাষাত স্বৰ আৰু ব্যঞ্জন বৰ্ণৰ শুদ্ধ উচ্চাৰণ সম্পৰ্কে চমুকৈ লিখা।

ঙ) অসমীয়া ভাষাৰ বিভক্তি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

চ) অসমীয়া ভাষাত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখা।

ছ) তৎসম শব্দৰ বানান সম্পৰ্কে এটি চমু আলোচনা যুগুত কৰা।

জ) অসমীয়া ভাষাৰ লিপ্যন্তৰ পদ্ধতিৰ ওপৰত চমুকৈ লিখা।

৪। উত্তৰ লিখা (যিকোনো এটা) ঃ 10×1=10

ক) অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিৰ এখন তালিকা প্ৰস্তুত কৰা।

খ) অসমীয়া ভাষাত বৰ্ণ আৰু আখৰ জোঁটনিৰ সমস্যা সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

গ) যতি চিনৰ ব্যৱহাৰ সম্পৰ্কে এটি আলচ যুগুত কৰা।

ঘ) প্ৰত্যয় বুলিলে কি বুজা এটি চমু আলোচনা দাঙি ধৰা।

--- x ---